কৰি জিলিকি আছে। ‘বন্দুক’, ‘কামান’, ‘তোপ’, ‘তীৰ’, ‘কুচকাৱাজ’—এইসমূহ শব্দৰ লগতে এইবোৰৰ ব্যৱহাৰ অসমৰ প্ৰতিৰক্ষা বিভাগলৈ ইছলামৰ অনবদ্য দান বুলিব লাগিব।

মিৰজুমলাৰ সৈতে অসমলৈ অহা বুৰঞ্জীবিদ চাহাবুদ্দিন তালিছৰ ‘তাৰিখ-ই-আছাম’ (ফাতিয়া-ই-ইব্ৰিয়া) গ্ৰন্থত মোগলৰ ৰাজনৈতিক অভিযানৰ লগতে অসমৰ সংস্কৃতি, জনগাঁথনি, ভৌগোলিক পৰিৱেশ-পৰিস্থিতিৰ লগতে ‘বিহু’ সম্পৰ্কে প্ৰথম লিপিবদ্ধ বৰ্ণনা থকাটো এটি উল্লেখযোগ্য বিষয়। তেখেতে বিহুক ‘নওৰোজ’ অৰ্থাৎ নৱবৰ্ষৰ উৎসৱ বুলি উল্লেখ কৰিছে। এইখন বুৰঞ্জীতে উল্লেখ কৰা এটি তাৎপৰ্যপূৰ্ণ মন্তব্য হ’ল—“অসমীয়া মুছলমানসকল নামতহে মুছলমান, হাড়ে-হিমজুৱে স্থানীয় লোক। অন্য অঞ্চলৰ সৈতে মিলি যাব নোখোজে”। এই মন্তব্যটিয়ে বৰ্তমানৰ সাম্প্ৰদায়িক অপ্ৰীতিৰ পৰিৱেশত নিশ্চিতভাৱে ইতিবাচক ভূমিকা গ্ৰহণ কৰিব পাৰে। আহোম স্বৰ্গদেউসকলেও বহু গুৰুত্বপূৰ্ণ পদবীত মুছলমান লোক নিয়োগ কৰিছিল। স্বৰ্গদেউ ৰুদ্ৰসিংহই বিশেষ পাৰদৰ্শী বৃত্তিয়াল নিয়োগ কৰা কেইটামান বৃত্তি আছিল—ফাৰ্চীপঢ়ীয়া, আখৰকটীয়া, গুণাকটীয়া, শিলাকুটী, খনিকৰ, দৰ্জী, নেগেৰীয়া, তাঁতী বা জোলা। অসমত দৰ্জী বৃত্তি প্ৰথম মুছলমানৰ জৰিয়তেই আহে। এই ক্ষেত্ৰত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰদ্বাৰা প্ৰভাৱিত হোৱা চান্দসাঁইৰ নাম ল’ব পাৰি। আধুনিক কালতো ১৯৪০ চনত ব্ৰিটিছে প্ৰৱৰ্তন কৰা নতুন বৃত্তি ব্যৱস্থাত লোৱা অধিক শস্য উৎপাদনৰ আঁচনিত ন-অসমীয়া তথা পমুৱা মুছলমানসকলেই আগভাগ লৈছিল। আলু, নহৰু, পিঁয়াজ, আঙুৰ, তৰমুজ, পেস্তা, নেমু, নাচপতি আদি বিবিধ ফল-মূল আৰু শাক-পাচলিৰ খেতিৰে অসমৰ কৃষিভূমি জাতিষ্কাৰ হৈ পৰিছিল। অসমত প্ৰথম বিস্কুটৰ কাৰখানা আৰু পাউৰুটীৰ ব্যৱসায় আৰম্ভেৰে ১৮৮৫ চনতে ‘শ্বেইখ ব্ৰাদাৰ্ছ’ৰ প্ৰতিষ্ঠা হয়। তদুপৰি মুছলমানসকলেই থলুৱা অসমীয়াক পোলাও, পৰঠা, চেঁৱই, হালোৱা, বিৰিয়ানি, কোৰ্মা, কোপ্তা, কাবাব, তন্দুৰ, বেদানা, চুৰুহা, নকুলদানা, মিচিৰি, বাদাম, আচাৰ, চৰবত, বৰফি, নিমকি ইত্যাদিৰ জুতি দি আমাৰ খাদ্যলৈ আড়ম্বৰ আনে।

আহোম ৰজা ৰুদ্ৰসিংহৰ হিন্দুস্থানী খেয়াল, গজল, টপপা আদি ধ্ৰুপদী গীতৰ লগতে সাৰংগী, সাৰোদ, চংগ, চানাই, ৰবাব, চেতাৰ, দফলী নক্কাৰা (নেগেৰা) আদি বাদ্যযন্ত্ৰৰ প্ৰতি থকা অনুৰাগেই বৰ্তমান অসমত গুৰুত্ব পোৱা ধ্ৰুপদী সংগীতৰ প্ৰতি আকৰ্ষণৰ প্ৰাৰম্ভণ। দৰঙৰ কেইবাটাও বিখ্যাত ওজাপালিৰ দল ইছলামৰদ্বাৰা প্ৰভাৱিত।



*মহাপুৰুষ শংকৰদেৱৰ অনবদ্য সৃষ্টি অংকীয়া ভাওনাৰ সূত্ৰধাৰৰ পোছাকটোতো উত্তৰ ভাৰতৰ মোগলসকলৰ সাজৰ স্পষ্ট প্ৰভাৱ বিদ্যমান।*

মহাপুৰুষ শংকৰদেৱৰ অনবদ্য সৃষ্টি অংকীয়া ভাওনাৰ সূত্ৰধাৰৰ পোছাকটোতো উত্তৰ ভাৰতৰ মোগলসকলৰ সাজৰ স্পষ্ট প্ৰভাৱ বিদ্যমান। প্ৰবাদ আছে যে মোগল সম্ৰাট আজমতৰাই চুজিনফা ওৰফে দিহিঙীয়া ৰজাৰ সৈতে বৈবাহিক সম্বন্ধসূত্ৰে ‘দুসাজ বিলাতী পাটৰ জামাৰে শুক্লপাগ’ আৰু অনেক বস্তু পঠিয়াইছিল। ধৰ্মভীৰু স্বদেশপৰায়ণ ৰজাই সেই পোছাক পৰিধান নকৰি সত্ৰলৈ পঠিয়াই দিলে। ৰজাই দিয়া দান বুলি ভক্তপ্ৰিয় সত্ৰাধিকাৰে পৱিত্ৰ সূত্ৰধাৰ নাচৰ পোছাক হিচাপে ব্যৱহাৰ কৰিলে। এই সাজৰ মোগলাই পাগ গায়ন-বায়নেও পৰিধান কৰে। বৰ্তমান অসমীয়া চুৰিয়া-চোলাৰ পিছতে স্থান পোৱা কুৰ্তা, পায়জামা, কামিজ, বনিয়ন আৰু ছোৱালীসকলৰ মাৰ্জিত সাজৰ তালিকাত অন্তৰ্ভুক্ত হৈ পৰা চুৰিদাৰ, দোপাত্তা, শ্ব’ল আদিও এওঁলোকৰে সংস্কৃতিৰ প্ৰভাৱ।

ভাৰতীয় স্থাপত্য বিদ্যাতো মোগলৰ প্ৰভাৱ কম নহয়। অসমতো এই প্ৰভাৱ বৰ্তমান। ৰংঘৰ, কাৰেংঘৰৰ স্থাপত্য-শৈলী, ‘হস্তী-বিদ্যাৰ্ণৱ’ পুথিত দিলবৰ-দোচাইৰ চিত্ৰাংকনেই ইয়াৰ শ্ৰেষ্ঠ উদাহৰণ। এনেদৰে অসমীয়া সংস্কৃতিত মুছলমানী সভ্যতা-সংস্কৃতিৰ প্ৰভাৱ তথা অৱদান কোনো গুণেই উলাই কৰিব পৰা বিধৰ নহয়। অসমীয়া ভাষা-সাহিত্যৰ বুকুত লীন যোৱা হাজাৰ-বিজাৰ শব্দ আৰু অসমীয়া ভাষাত প্ৰচলিত আৰবী-পাৰ্চীমূলীয় সাঁথৰ, প্ৰবাদ-প্ৰবচন আদিও উল্লেখ কৰিবলগীয়া সম্পদ। অসমীয়া লোকগীত শ্ৰেণীৰ অন্তৰ্গত অন্যতম আকৰ্ষণীয় আৰু অপৰিহাৰ্য শাখা—জিকিৰ আৰু জাৰী গীতবোৰৰ কথাও এই ক্ষেত্ৰত উল্লেখ কৰিবলগীয়া। সপ্তদশ শতিকামানতে সুদূৰ বাগদাদৰপৰা আহি শ্বাহ মিলন ওৰফে আজান ফকীৰে ৰচনা কৰা জিকিৰ গীতসমূহৰ বক্তব্য আৰু সুৰৰ আবেদন অসমীয়া সংগীতপ্ৰেমী ৰাইজৰ মনত যুগমীয়া।

অসম বুলিয়ে নহয় সমগ্ৰ ভাৰতবৰ্ষতে হিন্দু-মুছলমানৰ সম্প্ৰীতিৰ এই ছবিখনৰ আজিৰ তাৰিখত স্মৰণৰ প্ৰাসংগিকতা আহি পৰিছে। শুনিবলৈ আৰু ক’বলৈ অপ্ৰিয় হ’লেও সত্যভাৱেই সম্প্ৰীতিৰ এনাজৰীডাল এচাম স্বাৰ্থান্বেষীৰ কু-ৰটনাৰ বলি হোৱাটো সকলোৰে দৃষ্টিগোচৰ হৈছে। এনে সময়ত ইতিহাসৰ এনে দিশবোৰৰ সোঁৱৰণে আমাৰ মনত স্বদেশ আৰু স্বজাতিৰ প্ৰতি গৌৰৱবোধ জগাই তুলিব পাৰে। বিদ্যালয় পৰ্যায়ৰ পাঠ্যক্ৰমতো এনে কিছুমান পাঠৰ অন্তৰ্ভুক্তিৰ বিষয়টোও আমাৰ বোধেৰে বিচাৰ কৰি চাবলগীয়া। ই ইতিবাচক ভূমিকাৰে প্ৰসাৰ ঘটাব। ১৯৬৯ চনৰ শেষ ভাগত সীমান্ত গান্ধী খান আব্দুল গফুৰ খানে অসম ভ্ৰমণলৈ আহি ইয়াত হিন্দু-মুছলমানৰ সম্প্ৰীতি আৰু সদ্ভাব দেখি অসমীয়া প্ৰজাৰ ভূয়সী প্ৰশংসা কৰি গৈছিল। সেই সম্প্ৰীতিৰ সোঁৱৰণেৰে যেন আমি উজ্জীৱিত হৈ উঠোঁ, বাহিৰৰ বতাহে যেন আমাৰ সম্প্ৰীতিৰ বটবৃক্ষজোপাৰ তিলমানো হানি কৰিব নোৱাৰে, এয়াই আমাৰ একমাত্ৰ আশা।

**তথ্যসূত্ৰ ঃ**

১। অসমীয়া সংস্কৃতি; হৰিপ্ৰসাদ নেওগ, লীলা গগৈ।

২। সংমিশ্ৰণত অসমীয়া সংস্কৃতি; আব্দুছ ছাত্তাৰ।

৩। অসমীয়া লোক-সংস্কৃতিৰ আভাস; ড° নবীনচন্দ্ৰ শৰ্মা।

৪। অসমৰ সংস্কৃতি-কোষ; মুখ্য সম্পাদক ঃ ড° নাৰায়ণ দাস, সম্পাদক ঃ পৰমানন্দ ৰাজবংশী।

*ঠিকনা ঃ* স্নাতকোত্তৰ চতুৰ্থ ষাণ্মাসিক, অসমীয়া বিভাগ, কটন বিশ্ববিদ্যালয়, ফোন ঃ ৮৮৭৬১৬১৩৪৫